# Krishnachura
কৃষ্ণচূড়া

## - A Multilingual Annual Publication of SOFEC

Vol. - 6 June 2017 - May 2018



**SOCIETY FOR ENVIRONMENTAL CONSERVATION (SOFEC)**

D. H. S. K. College, Dibrugarh (Assam)
E-mail : sofecnewsletter@yahoo.in

## Office Bearers and Executives Members of SOFEC for the year : 2017-2018

The Committee for the year 2017-2018 formed on 29th May, 2017 :

| | |
|---|---|
| Adviser | : Dr. Sashi Kanta Saikia (Principal, DHSK College)<br>Prof. Titus Bhengra (Dept. of Political Science)<br>Prof. Tikendrajit Gogoi (Dept. of Zoology)<br>Prof. Anup Jyoti Bharali (Dept. of Anthropology)<br>Prof. Lamkholal Doungel (Dept. of Political Science) |
| President | : Dr. Moromi Talukdar (HOD, Dept. of Anthropology) |
| Vice-President | : Dr. Meetali Chaliha (Dept. of Geography)<br>Prof. Kalyani Das (Dept. of Sanskrit) |
| Secretary | : Prof. Anjumoni Phukan (Dept. of Assamese) |
| Assistant Secretary | : Dr. Jyoti Prasad Phukan (Dept. of Physics)<br>Prof. Sikha Moni Koch Dewri (Dept. of Assamese) |
| Treasurer | : Prof. Kumkum Chakraborty (Dept. of Bengali) |
| Executive Members | : Prof. Sultana Hazarika (Dept. of Zoology)<br>Prof. Narendra Mahela (Vice Principal)<br>Dr. Sikhamoni Sarmah (Dept. of Chemistry)<br>Dr. Priyadev Goswami (Dept. of Mathematics)<br>Dr. Chandana Goswami (Dept. of History)<br>Prof. Aditya Dahal (Dept. of Physics)<br>Dr. Reeta Poddar (Dept. of Bengali)<br>Prof. Ananta Teron (Dept. of Assamese)<br>Dr. Alakananda Baruah (Dept. of Botany)<br>Dr. Biraj Dutta (Dept. of Political science) |
| Ex-officio Members | : Prof. Sudakshina Das (Dept. of Zoology)<br>Prof. Ramakanti Das (HOD, Dept. of Philosophy) |

# *Krishnachura*

কৃষ্ণচূড়া

***A Multilingual Annual Publication of SOFEC***

**Vol. - 6** **June 2017 - May 2018**

**SOCIETY FOR ENVIRONMENTAL CONSERVATION (SOFEC)**

**D. H. S. K. College, Dibrugarh (Assam)**

E-mail : sofecnewsletter@yahoo.com

**KRISHNACHURA :** A Multilingual Annual Publication of SOFEC, D.H.S.K. College, Dibrugarh, Printed at Designer Graphics, Dibrugarh (Assam)

**Members of Editorial Board**

Advisor : Dr. Sashi Kanta Saikia; Principal, DHSK College

Editor : Prof. Kalpana Sengupta Baruah; Vice Principal, HOD, Dept. of Hindi

Assistant Editors : Prof. Dinalisha Bora; Dept. of Botany
Dr. Nitumoni Saikia; Dept. of Anthropology

Members : Prof. Tikendrajit Gogoi; Dept. of Zoology
Dr. Nazimuddin Ahmed; Dept. of Statistics
Prof. Rubab Fatema Nomani; Dept. of Economics
Prof. Anjumoni Phukan; Dept. of Assamese
Dr. Bhaskar Das; Dept. of Anthropology

Cover Page Designed by: Prof. Anup Jyoti Bharali; Dept. of Anthropology

Printed at : Designer Graphics
H. S. Road
Dibrugarh 786 001
Assam
Tel : 0373 2322121

# সম্পাদকীয়... ... ...

## বীজৰ পৰা বৃক্ষলৈ

সেয়া আছিল ২০০২ চনৰ ৮ আগষ্টৰ কথা। মোৰ স্বামী প্ৰয়াত ডঃ শান্তনু সেনগুপ্তাৰ সৈতে মহাবিদ্যালয় সম্পৰ্কীয় বিভিন্ন দিশৰ আলাপ আলোচনা কৰি আছিলোঁ। তেতিয়াই মই আমাৰ মহাবিদ্যালয়ৰ সুন্দৰ পৰিবেশটো আৰু বেছি সুন্দৰ কৰিব পৰাকৈ এটা প্ৰকৃতি - পৰিবেশ বিষয়ক অনুষ্ঠান খোলাৰ আগ্ৰহ প্ৰকাশ কৰিছিলোঁ। তেখেতেও খুউব উৎসাহিত ভাৱে হয়ভৰ দিছিলে আৰু মৰমীৰ লগত ফোনেৰে কথা পাতি লবলৈ কৈছিলে! মই মৰমীৰ লগত কথা পাতোঁতে তেওঁও খুবেই আগ্ৰহেৰে সঁহাৰি দিছিলে আৰু পিছদিনা কলেজত ভালকৈ আলোচনা কৰিম বুলি কৈছিলে। কথামতেই কাম পিছদিনা শিক্ষক জিৰণী ঘৰত বহি কথা নিশ্চিন্ত কৰিলোঁ যে ১২ আগষ্টত এখন মিটিং হ'ব আৰু তাতেই এখন সমিতি গঠন কৰা হ'ব। অনুষ্ঠানটোৰ আৰম্ভণিত বৃক্ষৰোপনো কৰা হ'ব বুলি আলোচনা হ'ল। ১৯৯০ চনতে অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ পৰা তলসৰা কৃষ্ণচূড়া গছৰ গুটি আনি ঘৰৰ টাবত লগাই থৈছিলোঁ। গছ কেইজোপা লহপহ কৈ বাঢ়ি বহুত ডাঙৰ হৈছিল। গতিকে কৃষ্ণচূড়া গছ ৰোৱা কথাটো খাটাং কৰা হৈছিল। ২০০২ চনৰ ১৪ চেপ্তেম্বৰৰ অনুষ্ঠানৰ অন্তত এবিটা গেলাৰী ৪ নম্বৰৰ সন্মুখত আৰু ২০০৩ চনৰ ১২ আগষ্টত শিক্ষক জিৰণীকোঠাৰ সন্মুখত ৰোৱা SOFECৰ কৃষ্ণচূড়াও একলা দুকলাকৈ বাঢ়ি বিশাল বৃক্ষ হ'ল। ফুলে পাতে জাতিষ্কাৰ হ'ল। বীজ হ'ল আকৌ বীজৰ পৰা বৃক্ষ হৈ কানৈ কলেজৰ কোলা শুৱনি কৰি আহিছে প্ৰতি বছৰে। বৰ্তমানৰ এই 'কৃষ্ণচূড়া' আলোচনীখনৰ নাম পূৰ্বতে Nature আছিল। কিন্তু Nature নামৰ এখন বিখ্যাত জাৰ্নেল প্ৰকাশ হয় সেয়েহে বিগত এখন সাধাৰণ সভাত হোৱা আলোচনা আৰু সিদ্ধান্ত ক্ৰমে 'Nature' নামটো সলনি কৰাৰ কথা ওলাল আৰু যিহেতু SOFECৰ আৰম্ভণি কৃষ্ণচূড়া গছেৰে হৈছে সেয়ে প্ৰতিষ্ঠাপক সম্পাদক ডঃ মৰমী তালুকদাৰে SOFECৰে জাৰ্নেলখনৰ নাম 'কৃষ্ণচূড়া' ৰাখিব লাগে বুলি প্ৰস্তাৱ কৰিলে তথা সৰ্বসন্মতিক্ৰমে সেই নামটোকেই ৰখা হ'ল। বৰ্তমানৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াদেৱে 'কৃষ্ণচূড়া' প্ৰকাশৰ বাবে সম্পূৰ্ণ আৰ্থিক বৰঙণি আগবঢ়াইছে। তেখেতৰ প্ৰতি থাকিল আন্তৰিক ধন্যবাদ।

অৱশেষত এটা কথাই উনুকিয়াওঁ যে মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ কাম কাজ, বিভাগীয় ব্যস্ততাৰ মাজতো দহোবন কাতি কৰি যিসকলে মহানুভৱে নিজ নিজ লিখনিৰে 'কৃষ্ণচূড়া'ক মৰম যাচি SOFEC ক সমৃদ্ধ কৰিছে সেই সকলোলৈকে সম্পাদকৰ মেজৰ পৰা মই আন্তৰিক কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়াইছোঁ।

কল্পনা সেনগুপ্তা বৰুৱা
সম্পাদক, 'কৃষ্ণচূড়া'

## CONTENTS


| | | | |
|---|---|---|---|
| বিশ্বত পৰিৱেশৰ সমস্যা আৰু ভৱিষ্যত মানৱ সমাজ | - | ড০ শশীকান্ত শইকীয়া | 5 |
| এনেদৰেই প্ৰতিশ্ৰুতিবদ্ধ 'চফেক', কানৈ কলেজ | - | ড০ মৰমী তালুকদাৰ | 7 |
| ঘৰৰ বাৰীখন | - | কল্পনা সেনগুপ্তা বৰুৱা | 12 |
| পৰিবেশ সুৰক্ষাৰ লগত জড়িত এগৰাকী অসমীয়া নাৰী | - | ড০ শিখামণি শৰ্মা | 13 |
| Study of The Medicinal Importance of Aquatic Macrophytes ... | - | Sultana Hazarika | 15 |
| Insight of Manas National Park | - | Titus Bhengra | 19 |
| Earning by Carbon Credit Through Plantations | - | Rajib Lochan Borah | 23 |
| Plastic : A major environmental crisis | - | Dinalisha Bora | 26 |
| Herbal Medicines | - | Rajesh Kumar Shah | 28 |
| Sustainable Lifestyle | - | Dr. Bhaskar Das | 30 |
| Ethnoecology | - | Dr. Sunanda Sahu | 34 |


# বিশ্বত পৰিৱেশৰ সমস্যা আৰু ভৱিষ্যত মানৱ সমাজ

**ড০ শশীকান্ত শইকীয়া**

মানুহৰ জনসংখ্যা বৃদ্ধি আৰু উদ্যোগীকৰণৰ ফলত অনুপম আৰু সৌন্দৰ্য্যৰে ভৰপুৰ বিনন্দীয়া পৃথিৱীখনৰ অভাৱনীয় পৰিৱেশ জনিত সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে মানৱ সমাজৰ জীৱন ধাৰণৰ বাবে একমাত্ৰ উপযোগী ঠাই পৃথিৱীৰ বাবে ভয়াৱহ সংকত নামি আহিছে। পৃথিৱীত মানুহৰ সংখ্যা ইমানে বৃদ্ধি পাইছে যে এই জনসংখ্যা বৃদ্ধিয়ে সুন্দৰ আৰু মনোৰম পৃথিৱীখনৰ আয়ুস ক্ৰমে কমাই আনিছে। পৰিসংখ্যা অনুসৰি ২০১৮ চনৰ মাৰ্চ মাহত পৃথিৱীৰ জনসংখ্যা ৭.৬ বিলিয়ন জন। ইতিহাসৰ পাত মেলিলে দেখা যায় যে পৃথিৱীৰ জনসংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। ৫০ দশকৰ পৰা পৃথিৱীৰ জনসংখ্যা অভাৱনীয় ভাৱে বৃদ্ধি পাইছে। এইদৰে জনসংখ্যা বৃদ্ধি হোৱা ফলত ২০৩০ চনত জনসংখ্যা হবগৈ ৮.৬ বিলিয়ন। ২০৫০ চনত হবগৈ ৯.৮ বিলিয়ন। ২১শ চনত বিশ্বৰ জনসংখ্যা হবগৈ ১১.২ বিলিয়ন। জনসংখ্যাৰ বিস্ফোৰণে বিশ্ব ব্ৰহ্মাণ্ডৰ মানুহৰ বসবাসৰ উপযোগী পৃথিৱী নামৰ ঠাইটুকুৰা কলুষিত কৰিছে। বিশ্বৰ সকলো দেশৰ জলন্ত সমস্যাসমূহৰ ভিতৰত পৰিৱেশৰ সমস্যা অন্যতম বুলি ধৰা হয়। প্ৰতিখন দেশে পৰিৱেশ জনিত সমস্যা কেনেদৰে মোকাবিলা কৰিব পাৰি তাৰে সমাধান উলিওৱাত ব্যস্ত হোৱা দেখা যায়। আফ্ৰিকা মহাদেশৰ অধীনৰ দেশসমূহৰ পৰিবেশ জনিত সমস্যা অতিকৈ গম্ভীৰ। এই দেশসমূহে পৰিৱেশৰ সমস্যা পৰা মুক্ত হব পৰা নাই। বিশ্ব স্বাস্থ্য সংস্থাকে ধৰি বিশ্বৰ বিভিন্ন সংগঠনে ভবিষ্যত বাণী কৰিছে যে পৰিৱেশৰ সমস্যাৰ পৰা উলাই আহিব নোৱাৰিলে পৃথিৱীৰ মানৱ সমাজৰ ভৱিষ্যত অন্ধকাৰচন্ন। তথ্য প্ৰযুক্তিৰ উত্তৰণেও অনন্য, অনুপম, সপোনৰ মানৱ সমাজ ধ্বংসৰপিনে গতি কৰিছে।

পৰিৱেশৰ ধ্বংসৰ আখৰা চলিছে সমগ্ৰ বিশ্বত। ঘাইকৈ জনসংখ্যা বৃদ্ধিৰ ফলশ্ৰুতিত বায়ু, পানী আৰু মাটি প্ৰদূষণ, এচ্িড বৰষুণ, স্বাস্থ্যজনিত সমস্যা, অজনন্তৰ ক্ষতি, বনাঞ্চল ধ্বংসযজ্ঞ, শক্তিৰ শংকট, পেলনীয়া সামগ্ৰীৰ সমস্যা, জৈব্য বৈচিত্যৰ ক্ষতি, জলবায়ু পৰিৱৰ্তন আদি সংঘটিত হৈছে। পৃথিৱীৰ উপৰি ভাগৰ পৰিৱৰ্তনৰ ফলত মানৱ সমাজৰ অপুৰনীয় ক্ষতি হৈছে আৰু মানুহৰ জন্মধাৰণ ক্ষমতাৰ ওপৰতো প্ৰভাৱ পৰিছে। ২০৫০ চনৰ ভিতৰত পৃথিৱীৰ পৰিৱেশ আজিৰ দৰে হৈ নাথাকিব। সামাজিক পৰিকাঠামো সলনি হ'ব। বিজ্ঞানীসকলে গৱেষণা কৰি ঘোষণা কৰিছে যে ২০৫০ চনৰ ভিতৰত বহুকেইখন চহৰ

পৃথিৱীৰ বুকুৰ পৰা নোহোৱা হৈ যাব। সাগৰ পৃষ্ঠৰ পানী ওপৰলৈ উঠিব। এন্টাৰ্টিক আৰু আৰ্টিক অঞ্চলৰ বৰফ গলি সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিব। খোৱা পানীৰ সমস্যাই মানুহক জুৰুলা কৰিব। মানুহৰ দৈনন্দিন জীৱনৰ পৰিৱৰ্তন হ'ব। পৰিৱেশৰ পৰিৱৰ্তনৰ ফলত নতুন নতুন ৰোগৰ সৃষ্টি হ'ব। কেঞ্চাৰৰ দৰে দুৰাৰোগ্য ৰোগ সাধাৰণ ৰোগত পৰিনত হ'ব। এসময়ত মেলেৰিয়া, টাইফইড, যক্ষ্মা আদি ৰোগবোৰ ভয়ানক হিচাপে বিবেচনা কৰা হৈছিল। আজিৰ বিজ্ঞানৰ চৰম উন্নতিৰ সময়ত এনে ৰোগসমুহ সাধাৰণ ৰোগলৈ পৰিণত হ'ল। সেইদৰে কেঞ্চাৰৰদৰে ৰোগ মানুহৰ বাবে ভয়ৰ কাৰণ আছিল। চিকিৎসা বিদ্যাৰ উন্নতি ফলত কেঞ্চাৰ ৰোগ বহু পৰিমাণে নিৰ্মূল হ'বলৈ সক্ষম হৈছে। অৱশ্যে পৰিৱেশ পৰিৱৰ্তনৰ ফলত মায়পীয়াৰ দৰে এবিধ নতুন ৰোগ সৃষ্টি হ'ব বুলি বিজ্ঞানীসকলে প্ৰকাশ কৰিছে। মায়পীয়া হ'ল চকুৰ এনে এবিধ ৰোগ যি ৰোগৰ ফলত দূৰৰ বস্তু চকুৰে নেদেখা হ'ব।

পৰিৱেশ সুৰক্ষাৰ বাবে সমগ্ৰ বিশ্বৰ দেশসমূহৰ মাজত আলোচনা হৈছে আৰু বিশ্বৰ প্ৰতিখন দেশৰ প্ৰতিনিধিসকলৰ মাজত আলোচনা হৈছে। বিশ্বৰ পৰিৱেশ সন্মিলন অনুষ্ঠিত কৰি জনগনৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস কৰি আহিলেও পৰিৱেশ সুৰক্ষাৰ বাবে আজিও সমস্যা হৈ আছে। অনুন্নত আৰু উন্নয়নশীল দেশসমূহত পৰিৱেশ জনিত সমস্যা আতি গম্ভীৰ ৰূপত দেখা গৈছে। এই দেশসমূহত মানুহৰ অন্ন, বস্ত্ৰ, বাসস্থানৰ সমস্যাই অতি বেছি পৰিৱেশ প্ৰদূষিত কৰিছে। অলপতে ফ্ৰাঞ্চত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সন্মিলনত বিশ্বৰ পৰিৱেশ সুৰক্ষাৰ বাবে সকলো দেশৰ প্ৰতিনিধি সমবেত হৈছিল যদিও আমেৰিকাৰ দৰে দেশে এই ক্ষেত্ৰত বিশেষ সহমতত উপনীত নোহোৱাত সেই সন্মিলনে বিশেষ বাৰ্তা কঢ়িয়াবলৈ সক্ষম নহ'ল। মন কৰিবলগীয়া কথাটো হ'ল ১৯৫৯ চনতে আমেৰিকাৰ ৱাচিংটনত অনুষ্ঠিত হৈছিল প্ৰকৃতিৰ সুৰক্ষা আৰু জৈৱ সম্পদৰ ওপৰত সন্মিলন। আমেৰিকাই সৌ তেতিয়াই পৰিৱেশ সুৰক্ষাৰ বাবে মনোনিৱেশ কৰিছিল। কিন্তু ফ্ৰাঞ্চৰ পেৰিছ সন্মিলনত আমেৰিকাই চুক্তিৰ পৰা আতৰি থকাত এক নতুন চিন্তাৰ বাট মুকলি কৰিছে। শব্দ প্ৰদূষণ, আনৱিক নিৰাপত্তা, জলজ সম্পদৰ সুৰক্ষা আৰু পৰিৱেশ সুৰক্ষা, শীতল পানীয় ৰক্ষণাবেক্ষণ, ভূ-সম্পদ তথা পৃথিৱীৰ উপৰি ভাগৰ সুৰক্ষা বাবে বহু সন্মিলন আৰু চুক্তি সম্পন্ন হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় হ'ল যে যিমানে চুক্তি বা সন্মিলন নহওক লাগিলে দেশসমুহৰ কিছুমানে প্ৰকৃত অৰ্থত কাৰ্যকৰী কৰাত বিফল হৈছে। ভাৰতৰ দৰে দেশত পৰিৱেশ জনিত সমস্যা সৃষ্টি কৰিছে বৰ্ধিত জনসংখ্যাই। ভাৰত চৰকাৰে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰিব পৰা নাই। ২০৩০ চনত ভাৰতে জনসংখ্যাৰ ক্ষেত্ৰত চীন দেশকো অতিক্ৰম কৰিব। জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰে বহু আঁচনি আৰু পৰিকল্পনা কৰিলেও বৰ্ধিত জনসংখ্যাৰ গতি ৰোধ কৰিব পৰা নাই। □

অধ্যক্ষ, ডি. এইচ. এছ. কে মহাবিদ্যালয়, ডিব্ৰুগড়।
*Email* : principal_dhsk@hotmail.com



# এনেদৰেই প্ৰতিশ্ৰুতিবদ্ধ 'চফেক', কানৈ কলেজ

**ড০ মৰমী তালুকদাৰ**

আশীৰ দশকৰ প্ৰথমৰ পৰাই অসমত পৰিৱেশ আন্দোলন গঢ় লৈ উঠে। ডিব্ৰুগড়েও এই ক্ষেত্ৰত পিছপৰি থকা নাই। ২০০২ চনত উজনি অসমৰ বৰ্ষাৰণ্য সংৰক্ষণৰ মহৎ উদ্দেশ্য আগত ৰাখি নেচাৰ্চ বেকনে ডিব্ৰুগড়ৰ নাহৰকটীয়াৰ ওচৰৰ জয়পুৰত বৰ্ষাৰণ্য উৎসৱ আয়োজন কৰিছিল। নেচাৰ্চ বেকনৰ লগত মই ওতঃপ্ৰোতোভাৱে জড়িত। তাৰোপৰি এই বৰ্ষাৰণ্য উৎসৱত আমাৰ মহাবিদ্যালয়ৰ সেইসময়ৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক আৰু বৰ্তমানৰ মনোহৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দিলীপ ভূঞা, একেটা বিভাগৰে শ্ৰীযুতা সুৱৰ্ণ ভূঞা, জীৱ বিজ্ঞান বিভাগৰ শ্ৰীযুত টিকেন্দ্ৰজিৎ গগৈ, ভূগোল বিভাগৰ শ্ৰীযুত বিজয় কুমাৰ বাৰ্মা চাৰ, উপস্থিত আছিল। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰিয় শিক্ষক ড০ শান্তনু সেনগুপ্ত আৰু তেওঁৰ পত্নী সুগায়িকা, হিন্দী বিভাগৰ অধ্যাপিকা শ্ৰীযুতা কল্পনা সেনগুপ্তা বৰুৱা বাইদেউও সেই বৰ্ষাৰণ্য সংৰক্ষণ মহোৎসৱত যুক্ত হৈছিল। শান্তনু দা অৰ্থাৎ শান্তনু সেনগুপ্তই এদিন ৰাজনীতি বিজ্ঞান বিভাগত বহি থাকোতে মোক ক'লে পৰিৱেশ সজাগতাৰ বাবে কলেজতো কিবা এটা কৰিব লাগে। ময়ো কথাটো শুনি ভালেই পালো আৰু হয়ভৰ দিলো। দুদিনমান পিছতে আগষ্ট মাহৰ ৮ তাৰিখে ৰাতি ৯ বজাৰ পিছত কল্পনা বাইদেৱে মোক ফোন কৰি কলে "শান্তনু দা আৰু মই কথা পাতিছো, তই মিটিং এখন দে।" কথামতেই কাম, তেওঁৰ পৰামৰ্শ মতেই মই ভূগোল বিভাগৰ, উদ্ভিদ বিজ্ঞান বিভাগ, জীৱ বিজ্ঞান বিভাগ, ৰসায়ণ বিজ্ঞান বিভাগলৈ গৈ হবলগীয়া মিটিংখনত একোজনকৈ শিক্ষক অথবা শিক্ষয়িত্ৰীক মাতি আহিলো। শান্তনু দায়ে লগত লৈ আনিলে ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰী লামখুল লাল ডুংগেলক।

এনেকৈয়ে জন্ম হয় পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশ সচেতনতাৰ উদ্দেশ্য আগত ৰাখি কানৈ মহাবিদ্যালয়ত এখন কমিটি। সভাত গোটখোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলে থিৰাং কৰিলে যে তেওঁলোকে ইটো সিটো অনুষ্ঠান কৰিবৰ বাবে ৫০ টকাকৈ বছৰি দিব। কথামতেই কাম, শ্ৰীযুত টিকেন্দ্ৰজিৎ গগৈয়ে লগে লগে ৫০ টকাৰ নোট এখন উলিয়াই ক'লে — 'এইয়া মই দিলোৱেই'। সেইসময়ত প্ৰথম কমিটিখন গঠন হৈছিল এনেধৰণে — পৃষ্ঠপোষক হিচাপে আছিল সেইসময়ৰ অধ্যক্ষ ড০ এচ. কে. দত্ত চাৰ,

উপাধ্যক্ষা শ্ৰীযুতা অলকা বৰুৱা বাইদেউ, প্ৰাণী বিজ্ঞান বিভাগৰ শ্ৰীযুতা এচ. খাটুন বাইদেউ, পদাৰ্থ বিজ্ঞান বিভাগৰ শ্ৰীযুত ধীৰেণ বৰুৱা চাৰ আৰু নৃতত্ব বিভাগৰ শ্ৰীযুত কে. এম. ৰাভা চাৰ। সভাপতি - ড০ শান্তনু সেনগুপ্তা, উপ-সভানেত্ৰী - শ্ৰীযুতা সূৰ্ণ ভূঞা আৰু ড০ ভাৰতী দত্ত। সম্পাদিকা - শ্ৰী মৰমী তালুকদাৰ, উপ-সম্পাদক - শ্ৰী অনুপজ্যোতি ভৰালী আৰু শ্ৰী উত্তম বাথাৰী। কোষাধ্যক্ষ - শ্ৰী এল. ডুংগেল আৰু কাৰ্যবাহী সদস্যসকল — শ্ৰীযুতা কল্পনা বৰুৱা সেনগুপ্তা, শ্ৰীযুত টিকেন্দ্ৰজিৎ গগৈ, শ্ৰীযুতা সুদক্ষিণা দাস বৰদলৈ, ড০ শিখামণি শৰ্মা, শ্ৰী মিতালী চলিহা, শ্ৰী জ্যোতিপ্ৰসাদ ফুকন, শ্ৰী ধনীৰাম বড়ো আৰু শ্ৰী ৰাজীৱ লোচন বৰা।

প্ৰথমখন সভাতেই কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছিল। সেইকেইটা হ'ল এই কমিটিৰ এখন সংবিধান থাকিব। কানৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী এই সংগঠনৰ সদস্য হ'ব পাৰিব। সদস্য ভৰ্ত্তিৰ বছৰেকীয়া মাচুল শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা ৩০ টকা আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা ১০ টকাকৈ লোৱা হ'ব। এই সংগঠনে বছৰি একোখনকৈ পত্ৰিকা প্ৰকাশ কৰিব। সেই পত্ৰিকাখনৰ ধাৰণাই বৰ্ত্তমানৰ এইখন 'কৃষ্ণচূড়া'। আমাৰ এই কমিটিখনৰ বাবে নাম এটা সকলোৱে ভাৱিব বুলি ক'লে। ১৪ আগষ্টত আমি ৮ জন পুনৰ মিলিত হওঁ। ভূগোল বিভাগৰ ড০ ভাৰতী দত্ত বাইদেউ যেনেকুৱা ব্যৱহাৰত অমায়িক তেনেকুৱাকৈ একাগ্ৰী। বাইদেউৱে ভাৱি আহি আমাৰ আগত কলে — মই এটা নাম ভাৱিছো, তোমালোকে কেনেকুৱা পোৱা বা? আমি আগ্ৰহেৰে শুধাত তেওঁ পুনৰ ক'লে — 'Society for Environmental conservation' সংক্ষিপ্তভাৱে Society ৰ 'So', ৰ for ৰ 'F', Environmental ৰ 'E' আৰু Conservation ৰ 'C' অৰ্থাৎ SOFEC (চফ্েক)। নামটো আমাৰ সকলোৰে পছন্দ হ'ল আৰু আমি আমাৰ মৰমৰ 'চছাইটি' খনৰ নাম দিলো SOFEC। এই মিটিংবোৰ হৈছিল নৃতত্ব বিভাগতে। মুহিৰাম ককাই অৰ্থাৎ বিভাগটোৰ সহকাৰী মুহিৰাম গগৈয়ে চাহৰ যোগান ধৰিছিল আমাক। দ্বিতীয়খন মিটিংতে ভাৰতী বাইদেউৱে এখন আঁচটনা পকাবন্ধা বহী আৰু এটা ফাইল মোৰ হাতত দিলে চফেকৰ কাগজ - পত্ৰ ভালদৰে ৰাখিবৰ বাবে। ১৬ আগষ্টত মোৰ আৰু শান্তনু দাৰ স্বাক্ষৰত অধ্যক্ষ মহোদয়ক চফেকৰ বিষয়ে জনাই এখন চিঠি দিওঁ। ভাৰতী বাইদেউৱে উপহাৰ দিয়া বহীখনত জ্জ্ব

লিখিথোৱা খচৰাটোত আজিও শান্তনুদাৰ ক'লা চিয়াহীৰ স্বাক্ষৰ জিলিকি আছে। মানুহৰ শৰীৰ নশ্বৰ উদাসীন পৃথিৱীৰ বুকুত বিলীন হৈ যায় কিন্তু মানুহৰ ভাল কৰ্মৰ ফল যুগ যুগ ধৰি সমাজত জীয়াই থাকে। শান্তনুদাৰো ভাল কামৰ স্মৃতি আৰু আদৰ্শ আমাৰ মাজত জীয়াই আছে। ২৭/৮/২০০২ চনৰ সভাখনত সংবিধানখন লিখাৰ দায়িত্ব ভাৰতী বাইদেউ আৰু ডুংগেলক অৰ্পণ কৰা হয়। ভাৰতী বাইদেউ আৰু মোৰ বন্ধু তথা সহকৰ্মী ডুংগেল যথেষ্ট কষ্ট কৰি এখন সংবিধান প্ৰস্তুত কৰি উলিয়ায়। ডুংগেলে বাইদেউৰ ঘৰত বন্ধৰ দিনত গৈয়ো কাম কৰি দুয়ো সংবিধানখনৰ ৰূপ দিয়ে।





১৪/৯/২০০২ তাৰিখে প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্তক আমন্ত্ৰণ কৰি অনা হয়। তেওঁ প্ৰকৃতি সংৰক্ষণৰ স্থিৰচিত্ৰ প্ৰদৰ্শন (Slide show) কৰাৰ লগতে বক্তৃতা দিয়ে। বৰ্তমানৰ ABITA গেলাৰীৰ কাষত থকা কৃষ্ণচূড়াডাল এই সমল ব্যক্তিয়ে ৰোৱা। 'কৃষ্ণচূড়া' বুলি কওঁতে যেনেকৈ বহুতৰে মনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা মনত পৰে মোৰ কল্পনা সেনগুপ্তা বৰুৱা বাইদেউৰ কথা মনলৈ আহে। বাইদেউৱে মাথো আমাকে মৰম নকৰে, মৰম কৰে প্ৰকৃতিৰ গছ-বিৰিখক। তেওঁ লিখা-মেলাও কৰে; তেওঁ লিখিছে প্ৰকৃতিভিত্তিক বহু গান আৰু কবিতা। বাইদেৱে চফেকৰ ওপৰত এটা সুন্দৰ গীত ৰচনা কৰিছে যাক আমি প্ৰায়বোৰ অনুষ্ঠানতে পৰিবেশন কৰো। 'চফেক'ক বাইদেউৱে তেওঁৰ লালিত-পালিত বহু গছৰ পুলি কলেজত ৰোপন কৰিবলৈ উপহাৰ দিছে। চফেকৰ জন্মক্ষণৰ পিছৰ বহুকেইটা অনুষ্ঠানত সমল ব্যক্তিয়ে ৰুবৰ বাবে কৃষ্ণচূড়াৰ পুলি দিছিল আৰু মোক কৈছিল — 'কৃষ্ণচূড়াই কলেজখন দেখিবলৈও ধুনীয়া কৰিব আৰু ইয়াক গৰুৱেও নাখায়।' ময়ো হাঁহি হাঁহি কৈছিলো — অ' হয় নেকি বাইদেউ, বৰ ভাল হ'ব। কলেজ প্ৰাঙ্গনৰ সন্মুখত জিলিকি থকা তেজ ৰঙা কৃষ্ণচূড়াজোপাও বাইদেৱে দিছিল আৰু কানৈ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰকৃতিবিদ ডিম্বেশ্বৰ চলিহাদেৱে ৰুইছিল। চলিহা চাৰ আজি সোঁশৰীৰে আমাৰ মাজত নাই কিন্তু তেওঁ ৰুই যোৱা কৃষ্ণচূড়াজোপাই তেওঁৰ কথা কয়। এই কৃষ্ণচূড়াজোপা জুই হৈ যেতিয়া ফুলে তলৰ সেউজ দলিচাতো ৰঙা ফুলেৰে সেউজীয়া পাট কাপোৰত যেন বুটা ৰছে। যিয়ে এবাৰ দেখা পায় তেওঁৰ মন-প্ৰাণ ভৰি যায়। শলাগৰ শৰাই আগবঢ়োৱা, বেনাৰ বনাই অনা, খাদ্য যোগানৰ দায়িত্ব আদি কামবোৰ অনুপদা অৰ্থাৎ অনুপজ্যোতি ভৰালীয়ে অতি নিষ্ঠা আৰু আন্তৰিকতাৰে কৰিছিল। সকলোৰে প্ৰিয় অল্পভাষী, হাঁহিমুখীয়া অনুপজ্যোতি ভৰালীয়ে কামবোৰ বৰ সাৱলীলভাৱে কৰি আহিছে। প্ৰথমৰ পৰাই তেওঁৰ চফেকৰ প্ৰতি আন্তৰিকতা আৰু অৱদান যথেষ্ট।

উভটি আহো ২০০২ চনৰ আন এটি অনুষ্ঠানৰ কথালৈ। যিহেতু আমি সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে নিয়মীয়া পাঠদানৰ ব্যস্ত থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় সজাগতা বঢ়াব বিচাৰিছিলো। সেয়েহে আমি আন কিছুমান অনুষ্ঠান পতাৰ কথা ভাৱিলো। ভাৰতী বাইদেউৱে ক'লে আমি ২১ ছেপ্তেম্বৰৰ 'World Bio Sphere Day' (বিশ্ব জৈৱ মণ্ডল দিৱস) দিনটো অনুষ্ঠিত কৰিব পাৰো। কথামতেই কাম — সূৰ্ণ বাইদেউৱে ক'লে যে অসম মেডিকেল কলেজ চৌহদৰ শিশুবোৰে নাটক কৰে, গতিকে আমি তেনেকুৱা এটা অনুষ্ঠান কৰিব পাৰো। সেই মৰ্মে বাইদেউৱে যোগাযোগ কৰিলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতত্ব বিভাগৰ ড০ কল্পনা ডেকা কলিতা বাইদেউক আৰু বাইদেউৰ সহযোগত কানৈ মহাবিদ্যালয়ৰ সন্মুখৰ বাৰাণ্ডাত হনুমান বক্স সুৰজমল কানৈদেৱৰ মূৰ্তিৰ কাষতে লিটল ফ্লাৱাৰ স্কুল, ডনবস্ক স্কুল, চল্ট ব্ৰুক স্কুল আৰু বিবেকানন্দ স্কুলৰ ১২ টা শিশুৱে প্লাষ্টিক বেগ বৰ্জনৰ ওপৰত এক মনোমোহা নাট পৰিবেশন কৰে। সেই নাটকখনত ড০ কল্পনা ডেকা কলিতা

আৰু ডাঃ হেমচন্দ্ৰ কলিতাৰ প্ৰথম শ্ৰেণীৰ পুত্ৰ দেবাঙ্গ বিদৰাম কলিতা আৰু অষ্টম শ্ৰেণীত পঢ়ি থকা পুত্ৰী দেবাঙ্গনা কলিতায়ো সুন্দৰ অভিনয় কৰিছিল।

সেইটো বছৰতে 'বন্যপ্ৰাণী সপ্তাহ উপলক্ষে ৫ অক্টোবৰত আৰু বন্যপ্ৰাণী সংৰক্ষণ' সম্পৰ্কে এক সজাগতামূলক বক্তৃতাৰ আয়োজন কৰা হয়। এই বক্তৃতা প্ৰদান কৰে টিকেন্দ্ৰজিৎ গগৈ চাৰে। দুদিন পিছত একে অনুষ্ঠান আয়োজন কৰা হয় বৰপথাৰ ছোৱালী বিদ্যালয়ত। দুয়োখন বিদ্যালয়ৰ পুথিভঁৰাললৈ ভাৰতী দত্ত বাইদেৱে তেওঁ নিজে লিখা পৰিবেশ সম্পৰ্কীয় কিতাপ আগবঢ়ায়।

১২ আগষ্ট, ২০০৩ চনত আমি ছফেকৰ প্ৰতিষ্ঠা দিৱসটো উদযাপন কৰিছিলো আৰু এই অনুষ্ঠানত ডিম্বেশ্বৰ চলিহাদেৱে প্ৰকৃতিপ্ৰেমী ৰবীন বেনাৰ্জীক সুঁৱৰি 'ৰবীন বেনাৰ্জীৰ জীৱনগাঁথা' আৰু ' বন্যপ্ৰাণী সংৰক্ষণ' সম্পৰ্কে বক্তৃতা দিয়ে।

২০০৩ চনৰ ২১ ছেপ্তেম্বৰত 'জৈৱমণ্ডল দিৱস'ৰ দিনা আমি N.S.S. ৰ লগত যুটীয়াভাৱে এক 'চাফাই অভিযান'ৰ কাৰ্যক্ৰম সুকলমে সমাপন কৰো।

এনেদৰেই চফেকৰ কাম-কাজবোৰ আগবাঢ়ি যাব ধৰে। ইতিমধ্যে আমাৰ সদস্য-সদস্যাৰ সংখ্যাও বাঢ়ে। শ্ৰী নিৰ্মালী ভূঞা বাইদেউ, শ্ৰী সুদক্ষিণা দাস বৰদলৈ বাইদেউ, শ্ৰী চুলতানা হাজৰিকা বাইদেউ, শ্ৰী বিজয় কুমাৰ বাৰ্মা চাৰ, শ্ৰী নৰেন্দ্ৰ মাহেলা চাৰ, শ্ৰী সঞ্চয়িতা বৰুৱা আদিয়েও আমাৰ লগত যোগাদান কৰি ভাল কামত উদগণি যোগায়। চফেকে সদায় বিশেষ কিছুমান অনুষ্ঠানৰ মাজেৰে শ শ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সংৰক্ষণৰ বিষয়ে সজাগতা আনিবলৈ চেষ্টা কৰি আহিছে।

২০০২ চনৰ ১২ আগষ্টৰ পৰা ২০০৫ চনৰ ১ আগষ্টলৈ তিনিবছৰ কাল মই সম্পাদিকা হৈ আছিলো। ২০০৫ চনৰ ১ আগষ্টত সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰে অনুপজ্যোতি ভৰালীয়ে। তেতিয়াৰ পৰা বৰ্তমানলৈকে কিছুমান অনুষ্ঠানৰ দ্বাৰা বিশেষকৈ মহাবিদ্যালয়ৰ ভিতৰত আৰু সাধাৰণভাৱে মহাবিদ্যালয়খনৰ বাহিৰত চফেকে পৰিৱেশ সংৰক্ষণ আৰু সজাগতামূলক কাম কৰি আহিছে। চফেকৰ উদ্যোগ বিভিন্নজন সমল ব্যক্তিয়ে পৰিৱেশ ভিত্তিক বক্তৃতা প্ৰদান কৰিছে। চফেকে ডিব্ৰুগড়ৰ পৰিৱেশ, চাফ-চিকুণতাৰ বিষয় লৈ পৌৰনিগমক স্মাৰক প্ৰদান কৰিছে। বিভিন্ন সময়ত বিভিন্ন গছপুলি ৰোপণ কৰিছে। কেইবাবাৰো পৰিৱেশ সম্পৰ্কীয় আকস্মিক বক্তৃতা, চিত্ৰাংকণ প্ৰতিযোগিতা আদিৰ আয়োজন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় বিভিন্ন বিষয়ৰ ওপৰত বাটৰ নাট পৰিবেশন কৰিছে। চফেকৰ দ্বাৰা আয়োজিত অনুষ্ঠানত বক্তৃতা প্ৰদান কৰা বক্তা আৰু বক্তৃতাসমূহৰ বিষয়ে লিখিলে বহু দীঘলীয়া হ'ব। সৌম্যদ্বীপ দত্ত আৰু ডিম্বেশ্বৰ চলিহাদেৱৰ বক্তৃতাৰ বিষয়ে উল্লেখ কৰিছো। এইখিনিতে থোৰতে বক্তা আৰু বক্তৃতাসমূহৰ বিষয়ে উল্লেখ কৰিলো।

ডঃ সুশীলা গোস্বামী — "প্ৰাকৃতিক দুৰ্যোগ নিৰাময় আৰু প্ৰতিকাৰৰ ব্যৱস্থা"।





ডঃ কল্পনা ডেকা কলিতা — "পলিথিন প্ৰদূষণ"।

সৌম্যদ্বীপ দত্ত — 'উত্তৰ পূৰ্বঞ্চলৰ জৈৱবৈচিত্ৰতা আৰু সংৰক্ষণ'।

ডঃ দিলীপ ভূঞা — 'পৰিৱেশ সংৰক্ষণ'।

ডঃ প্ৰণৱ পাল — 'বিভিন্ন ৰাসায়নিক পদাৰ্থৰ পানী প্ৰদূষণ আৰু মানুহৰ স্বাস্থ্য'।

ডঃ ঋতুপৰ্ণ শৰ্মা — 'How long we may survive?'

ৰাজীৱ ৰুদ্ৰতাৰিয়াং — 'Issues on 'Biodiversity' and make indentification, its conservation, importance and first aid measures if biten by any makes.'

পদ্মশ্ৰী যাদৱ পায়েং — 'প্ৰকৃতি আৰু জলবায়ুৰ পৰিবৰ্তন'।

টিকেন্দ্ৰজিৎ গগৈ — 'Glimpses of Animal Diversity in Kanoi College Campus.'

ডঃ ৰঞ্জন কুমাৰ ডেকা — 'Biodiversity of the Mishmi Hills of Arunachal Pradesh.'

সৌম্যদ্বীপ দত্ত — 'প্ৰকৃতি আৰু আমি'।

লোহিত চন্দ্ৰ ডেকা — 'বিশ্বপ্ৰেক্ষাপটত পৰিৱেশ সংৰক্ষণ আন্দোলন আৰু অসম।'

চুলতানা হাজৰিকা — 'Biodiversity in Assam.'

এনে বক্তৃতাসমূহৰ উপৰিও চফেকৰ সদস্যসকলে বিভিন্ন বিদ্যালয়লৈ গৈ পৰিৱেশ সম্পৰ্কে বক্তৃতা প্ৰদান কৰি আহিছে। টাইটাছ ভেংৰা, টিকেন্দ্ৰজিৎ গগৈ, চুলতানা হাজৰিকা আৰু ডঃ অলকানন্দা বৰুৱাই সমল ব্যক্তি হিচাপে এনেক্ষেত্ৰত যোগদান কৰিছে। বিভিন্ন সময়ত পৰিৱেশ সম্পৰ্কীয় তথ্যচিত্ৰ প্ৰদৰ্শন কৰিছে। চফেকে বিদ্যালয়সমূহত পুৱাৰ সদনত পাঠ কৰিবৰ বাবে পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰেৰণ কৰিছে। এনেদৰেই চফেকে বিশ্বৰ পৰিৱেশ সংৰক্ষণত হাত উজান দিবলৈ সামান্য হলেও বৰঙণি যোগায় আহিছে। ২০১৩ চনত প্ৰকাশ কৰা News Letter খনে পৰৱৰ্তী সংখ্যাত আলোচনীৰ ৰূপ পাইছে।

এই লিখনিত চফেকৰ জন্মলগ্নৰ পৰা থকা কেইজনমান ব্যক্তিৰ নাম উল্লেখ কৰা হৈছে যদিও চফেকৰ প্ৰতিজন সদস্য-সদস্যা শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰবৰ্তী সময়ৰ পৰা বৰ্তমানলৈকে অতি নিষ্ঠা আৰু আন্তৰিকতাৰে চফেকৰ হৈ কাম কৰি আহিছে। মহাবিদ্যালয়খনত নিজৰ নিয়মীয়া পাঠদানৰ প্ৰতি থকা দায়িত্বৰ উপৰিও চফেকৰ প্ৰতি আছে ভালপোৱা আৰু বিশেষ আকৰ্ষণ। প্ৰতিজন অধ্যক্ষ/অধ্যক্ষাই চফেকৰ কাম-কাজত সহায়-সহযোগিতা আগবঢ়াই আহিছে। বৰ্তমানৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াদেৱেও নিজকে চফেকৰ এজন সদস্য হিচাপে জ্ঞান কৰে আৰু সহমৰ্মিতা তথা সকলো সহযোগিতা প্ৰদৰ্শন কৰি আহিছে।

আশাকৰোঁ ভৱিষ্যতে চফেকে নৱ নৱ স্বপ্নেৰে উজ্জিৱীত কৰিব বাস্তৱ। পৰিৱেশ সংৰক্ষণৰ বাবে দুহাত মেলি আগবাঢ়ি যাব। চফেকৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। ❑

সহযোগী অধ্যাপিকা, নৃতত্ত্ব বিভাগ, ডি. এইচ. এছ. কে মহাবিদ্যালয়, ডিব্ৰুগড়।
*Email* : moromi.anthro@gmail.com

# ঘৰৰ বাৰীখন

কল্পনা সেনগুপ্তা বৰুৱা

পৰিবেশ সুৰক্ষাত ঘৰৰ বাৰীখনৰো থাকে অতুলনীয় অৱদান বিন্দু বিন্দু মিলি সিন্ধু হোৱাৰ দৰে প্ৰতি ঘৰৰ সৰু-বৰ বাৰী বিলাকেও মিলি কৰিব পাৰে এখন বননিৰ কাম। আজিকালি চাৰিওফালে আমি দেখা পাওঁ 'কংক্ৰিট অৰণ্য'। ডাঙৰ ডাঙৰ তিনি-চাৰি মহলীয়া অট্টালিকা, সুবৃহৎ ম'ল ইত্যাদি যাৰ মাজত সেউজ পৰিবেশ ৰখাটো সহজ কথা নহয়।

যিসকল লোকৰ বাৰী মাটি তেনেই কম তেনে লোকে বাৰীৰ ঢাপত শাৰী শাৰীকৈ গছ ৰুব পাৰে। শাৰী শাৰীকৈ ৰোৱা গছবোৰ যেতিয়া সমানে ডাঙৰ হব আৰু যদি ফুল ফুলা গছ হয় তেতিয়া ফুল ফুলি জাতিস্কাৰ হৈ থাকিলে তাৰ অবৰ্ণনীয় সৌন্দৰ্যই মানসিক শান্তি দিব। গছবোৰে ছাঁ দিব, উৎকট গৰমৰ পৰা ঘৰ-বাৰীক ৰক্ষা কৰিব। যদি গছবোৰ ফলমূলৰ গছ হয় তেতিয়া হ'লে বতৰৰ ফলমূল সহজলভ্য হ'ব। সেইবোৰ খোৱাৰ উপৰিও তাৰপৰা বিভিন্নধৰণৰ জাম-জেলী তৈয়াৰ কৰিব পৰা যাব। ব্যৱসায়িক দৃষ্টিৰে চিন্তা কৰিলে কেঁচা-পকা ফলমূলবোৰ বজাৰত বেচিব পৰা যাব। জাম-জেলী তৈয়াৰ কৰিও বেচিব পাৰিব। বাৰীৰ ঢাপত গছৰ কাষে কাষে বিভিন্ন জাতৰ কলৰ গছ ৰুই দিলে পৰিবেশ সুৰক্ষাৰ লগতে অৰ্থ উপাৰ্জনৰ পথ এটাও ওলাব। ভীমকল গছ দুজোপামান থাকিলে কলৰ লগতে পচলা কলডিলৰো সোৱাদ লব পৰা যাব। কলৰ পাতো সকাম-নিকাম, পূজা-পাৰ্বনত বিভিন্ন কামৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। তদুপৰি পাতত দিয়া বিভিন্ন খাদ্য সম্ভাৰ জুতিয়েই বেলেগ। কল গছৰ মাজে মাজে তামোল গছ ৰুই দিলে তমোল গছত বগাবলৈ পানলতা আৰু জালুক লগাব পাৰি যি মানুহক আৰ্থিকভাৱে সমৃদ্ধ কৰিব। বাৰীখনত গুটি লগা গছ থাকিলে ঘৰলৈ বিভিন্নধৰণৰ চৰাইৰ আগমন হ'ব। পখীৰ কলৰৱ আৰু সিহঁতে গুটিবোৰ খোৱা নান্দনিক দৃশ্যই মনলৈ যি অনাবিল আনন্দ আৰু অফুৰন্ত শান্তি আনিব সেয়া ভাষাৰে বৰ্ণাব নোৱাৰি। ☐

উপাধ্যক্ষা, মুৰব্বী অধ্যাপিকা, হিন্দী বিভাগ, ডি. হ. সূ. কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়।
*Email* : kalpanasenguptabaruah@gmail.com



# পৰিবেশ সুৰক্ষাৰ লগত জড়িত এগৰাকী অসমীয়া নাৰী

ড০ শিখামণি শৰ্মা

পৰিবেশ হৈছে এনে এক আবেষ্টনি যাৰ মাজত মানুহকে ধৰি সকলো জীৱ-জন্তু, উদ্ভিদে জীৱন-ধাৰণ আৰু বংশ বিস্তাৰৰ সুবিধা লাভ কৰে। উদ্যোগীকৰণ আৰু জনসাধাৰণৰ মাজত পৰিবেশ সংৰক্ষণ সম্পৰ্কীয় জ্ঞানৰ অভাৱেই পৰিবেশ অৱনতিৰ প্ৰধান কাৰক। প্ৰাকৃতিক ভাৰসাম্য অক্ষুন্ন ৰাখিবলৈ বৰ্ত্তমান সময়ত পৰিবেশ সুৰক্ষা অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। পৰিবেশ সজাগতাৰ ক্ষেত্ৰত পুৰুষৰ লগত নাৰীও আগুৱাই হৈছে। পৰম্পৰাগত জ্ঞানেৰে অতীজৰ পৰা অসমীয়া নাৰীয়েও পৰিবেশ সুৰক্ষাৰ বাবে অহৰহ চেষ্টা চলাই আহিছে। পৰিবেশ সজাগতা সম্পৰ্কীয় শিক্ষাৰে আজিৰ অসমীয়া শিক্ষিতা নাৰীয়ে ইয়াত ৰহন চলাইছে।

বন্য-প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ অসমীয়া নাৰী এগৰাকী হল পৰিবেশ সুৰক্ষাৰ লগত জড়িত এন. জি. অ' "অৰণ্যক" (Aranyak) ৰ সভ্য ৩৭ বছৰীয়া পূৰ্ণিমা বৰ্মন। স্থানীয় লোকৰ মাজত "হাড়গিলা বাইদেউ" নামেৰে জনাজাত বৰ্মনে হাড়গিলা সংৰক্ষণৰ বাবে কৰা আশাশুধীয়া প্ৰচেষ্টাৰ স্বীকৃতি হিচাবে ২০১৭ চনৰ মে' মাহত সকলো পৰিবেশবিজ্ঞানীৰ বাবে আকাংক্ষিত 'হোৱাইট লি পুৰস্কাৰ' (গ্ৰীণ অস্কাৰ হিচাবেও জনা যায়) আঁজুৰি আনিবলৈ সক্ষম হল। ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্য্যায়ত বনাঞ্চল সংৰক্ষণৰ ক্ষেত্ৰত অগ্ৰগনী ভূমিকা পালন কৰা লোকক আৰ্থিক অনুদান আগবঢ়াবলৈ প্ৰতিবছৰে হোৱাইটলি ফাণ্ডে বিশ্বৰ পৰিবেশ সুৰক্ষাৰ লগতে জড়িত লোকক নিৰ্বাচন কৰে। বিশ্বৰ ৬৬ খন দেশৰ ১৬৬ গৰাকী গৱেষকৰ মাজৰ পৰা নিৰ্বাচিত পূৰ্ণিমা বৰ্মনে লণ্ডনত ৰানী-এলিজাবেথ-II ৰ কন্যা ৰাজকুমাৰী এনিৰ পৰা এই পুৰস্কাৰ গ্ৰহণ কৰে। বিশ্বত প্ৰায় বিলুপ্ত প্ৰায় Greater adjutant stork (leptoptilos dulius) অৰ্থাৎ "হাড়গিলা" আৰু ইয়াৰ বাসস্থলী আৰ্দ্ৰভূমি সুৰক্ষাৰ বাবে। IUCN (International Union for Conservation of Nature and Natural Resources ৰ সমীক্ষা মতে হাড়গিলা সংকটাপন্ন প্ৰাণীৰ (Endangered Species) ভিতৰত পৰিছে। বিশ্বত উপলব্ধ প্ৰায় ১২০০ মানৰ ভিতৰত অসমৰ বিশেষ বিশেষ অঞ্চলত কিছু হাড়গিলা পোৱা যায়। IUCN ৰ মতে অসমত প্ৰায় ৮০০ টা মান হাড়গিলা আছে যিটো

পৃথিৱীত হাড়গিলাৰ উপলব্ধতাৰ দুই তৃতিয়াংশ। পূৰ্ণিমা বৰ্মনে বিলুপ্তিৰ পথত আগবঢ়া "কুৎসিত প্ৰাণী" হিচাবে পৰিচিত চৰাইবিধৰ সুৰক্ষাৰ অৰ্থে কাম কৰিবলৈ ২০০৭ চনত গুৱাহাটীৰ আশেপাশে থকা দাদৰা (Dadara), পচৰীয়া (Pachariya), শিঙিমাৰী (Hingimari) গাওঁ কেইখন নিৰ্বাচন কৰিছিল। হাড়গিলাই বাঁহ সজা-গছবোৰ আছিল গাওঁবাসীৰ ব্যক্তিগত বাৰীত। কেকোঁৰা, ভেকুলী, কুছিয়া, মাছ, ফৰিং আদিৰ উপৰিও হাড়গিলাই জীৱ-জন্তুৰ মৰাশও ভক্ষণ কৰে আৰু অৱশিষ্ট খাদ্যবোৰ বাঁহত এৰি যায়। দুৰ্ভাগ্যৰ চিন কঢ়িয়াই অনা বুলি গাওঁবাসীয়ে ভবা এই সহ্য কৰিব নোৱাৰা চৰাই বিধৰ পৰা পৰিত্ৰাণ পাবলৈ গাওঁবাসীয়ে গছবোৰেই কাটি পেলাইছিল। এই মানুহবোৰৰ মানসিকতা সলনি কৰি 'হাড়গিলা' যে তেওঁলোকৰ গৌৰৱৰ কাৰকো হব পাৰে তাক বুজাবলৈ গৈ পূৰ্ণিমা বৰ্মন প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। গাঁৱৰ মহিলাসমূহক লৈ তেওঁ 'হাড়গিলা সৈন্যবাহিনী' (Hargila Army) গঠন কৰিলে। চৰকাৰ আৰু বিভিন্ন এন. জি. অ'ৰ সহযোগত বিকল্প জীৱিকাৰ সন্ধান দি তেওঁ "হাড়গিলা সৈন্যবাহিনী"ক হাড়গিলা সংৰক্ষণৰ কামত মনোনিবেশ কৰিবলৈ সুবিধা কৰি দিলে আৰু ইয়াক স্থানীয় সংস্কৃতিলৈ পৰিবৰ্ত্তিত কৰিলে। স্থানীয় তাঁতশিল্পত "হাড়গিলা" ডিজাইন দি মহিলাসকলে বিভিন্ন বস্ত্ৰ ববলৈ আৰম্ভ কৰি ইয়াক বিশ্বৰ দৰবাৰলৈ লৈ যাবলৈ প্ৰয়াস কৰিলে। নামঘৰৰ স্তোত্ৰতো হাড়গিলা সংৰক্ষণ অৰ্ন্তভূক্ত হল। পূৰ্ণিমা বৰ্মনৰ অহৰহ প্ৰচেষ্টাৰ বাবে ২০১০ চনৰ পৰা এই সমূহ অঞ্চলত হাড়গিলাই বাঁহ সজা এজোপা গছো কটা হোৱা নাই। ২০০৭ চনত থকা মাত্ৰ ৩০টা বাঁহ যোৱা বছৰ ১৫০টা লৈ বৃদ্ধি পাইছে। লগতে কামৰূপ জিলাত হাড়গিলাৰ সংখ্যা হৈছেগৈ ৫৫০টা। এইয়া হৈছে পূৰ্ণিমা বৰ্মনৰ প্ৰায় ৮ বছৰৰ পৰিবেশ সুৰক্ষা আৰু প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষাৰ বাবে কৰা অক্লান্ত পৰিশ্ৰমৰ ফল। প্ৰতি বছৰে ২ ফেব্ৰুৱাৰী দিনটো "হাড়গিলা দিৱস" হিচাবে উদ্‌যাপন কৰিবলৈ আগবঢ়াটোও হাড়গিলা সুৰক্ষাৰ এক সবল পদক্ষেপ।

ভাৰতৰ পূৱ প্ৰান্তত থকা অসম জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত চহকী দেশ। দুষ্প্ৰাপ্য, বিৰল আৰু লুপ্ত প্ৰায় প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰে সমৃদ্ধিশালী। কিন্তু এই সুসংহত পৰিবেশলৈ ভাবুকি অহাৰ বাবে ইয়াক সংৰক্ষণ কৰাটো অতি জৰুৰী হৈ পৰিছে। সচেতন ব্যক্তিয়ে তৃণমূল কৰ্মীক একত্ৰিত কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে এক সেউজ আৰু সুৰক্ষিত পৰিবেশ সৃষ্টি কৰাৰ যথেষ্ট সুযোগ আছে। □

সহযোগী অধ্যাপিকা, ৰসায়ন বিভাগ, ডি. হ. সু. কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়।
*Email :* sikhamonisarmah@rediffmail.com



# STUDY OF THE MEDICINAL IMPORTANCE OF AQUATIC MACROPHYTES IN THE WETLANDS OF DIBRUGARH, ASSAM

**Sultana Hazarika**

**Introduction**: Aquatic macrophytes, often also called hydrophytes, are key components of aquatic and wetland ecosystems. As primary producers, they are at the base of herbivorous and detritivorous food chains, providing food to inver-tebrates, fish and birds, and organic carbon for bacteria. Their stems, roots and leaves serve as a substrate for pe-riphyton, and a shelter for numerous invertebrates and different stages of fish, amphibians and reptiles (Timms and Moss 1984, Dvorák 1996). They are taxonomically diverse and fascinating in structure and biology, comprising a high proportion of biomass in freshwater. Biogeochemical processes in the water column and sediments are to a large extent influenced by the presence/absence and a type of mac-rophytes and macrophytes can also have a profound impact on water movement and sediment dynamics in wa-ter bodies. Some macrophytes are of major importance for their direct contributions to human societies by pro-viding food, biomass, and building materials (Costanza et al. 1997, Engelhardt and Ritchie 2001, Egertson et al. 2004, Bornette and Puijalon 2011).

Good knowledge of the functions of aquatic macro-phytes in wetlands and shallow lake ecosystems is critical for understanding the basic ecosystem processes. It is also important for numerous applied issues such as wetland restoration, wastewater treatment, and management of invasive species (Lavoie 2010, Casanova 2011).

**Description of Study Area**

**Maijan wetland:** It is an open wetland, periodically connected to River Brahmaputra with 27°32′N latitude and 94°58′E longitudes. The breadth of the connecting channel to river Brahmaputra is 600 m and the area is 87.07 hectares. Depth is (in summer) 6.4m and depth is (in winter) 3.8 m.

**Garudharia Wetland:** It is situated at 27° 26′N latitude 94° 52′E longitude. It is an oxbow shaped wetland situated about 3 km north-west from NH-37 of Dibrugarh District, Assam, The wetland can be approached from the Sessa Tiniali through a PWD road. The wetland has a total area of 32.13 hectares. Depth (in summer) is 4.8 m, and (in winter) is 2.7m.

**Methodology**

**Macrophytes:** Sampling of macrophytes was done with the help of random quadrate method both from all the selected sites in both the wetlands.

Qualitative analysis of the macrophytic stands was done as per the available literatures for identifying phenerograms, generally based on morphological features. The quantitative on the other hand was expressed (Yadava, 1987) in terms of biomass either wet weight (gm/m$^2$) or dry weight (gm/m$^2$).

Identification was done after Needham and Needham (1938), Ward and Whipple (1959) and Michael (1973).

**Result and Discussion**

**Macrophytes :** The shallow lakes have been the ideal habitat for greater colonization of macrophytes with substantial too thick strands throughout the globe. The extensive growth of floating, submerged, emergent and marginal macrophytes was the common sights in both the wetlands under study. However the floating and submerged macrophytes were significant being the most dominant during the period under study (2011-14).

**Diversity of Macrophytes:** *Eichhornia crassipes* (Free-floating) was the most dominant species in both the wetlands. Among the total 21 species recorded from both the wetlands, Maijan harboured all 21 species whereas Garudharia recorded 19 species.

In Maijan water hyacinth *(Eichhornia crassipes)* was followed by *Ceratophyllum demersum, Hydrilla verticillata, Valisneria, Najas minor, Nymphaea nouchali, Trapa natans, Azolla pinnata* in the order of abundance. Others like *Ipomoea aquatic, Polygonum glabrum, Chara zerylanic, Pistia statiote, S. cucullata* etc. remained sporadic and localized in distribution.

In Garudharia also, water hyacinth *(Eichhornia crassipes)* was the dominant macrophytes followed by *Ceratophyllum demersum, Hydrilla verticillata, Valisneria, Najas minor, Pistia statiotes, Salvinia cucullata, Colocasia esculenta* and *Azolla pinnata. Nymphaea nouchali* and *Polygonum glabrum* were not found in Garudharia. Others *Utricullaria stellari, Hydrocotyle sibthorpioides, Ludwigia adscendens, Ipomoea aquatica* etc. were of restricted distribution in this wetland.

**Aquatic Macrophytes of Medicinal Importance in the Studied Wetlands**: Aquatic plants may serve as a good source of food to mankind and animals, thus forming a palatable feed for the water birds and a base for aquatic wildlife conservation practices. Aquatic weeds similar to terrestrial plants are capable of trapping solar radiation and thus serve as potential source of energy. They may also serve as good source of fertilizers. Some of the aquatic weeds are being cultivated for their diversity of medicinal and aesthetic values (Bardach, 1968).





**Table 1: List of Various Macrophytes Found in the Study Area.**

| Sl. No. | Name | Family | Habitat | Distribution | value |
|---|---|---|---|---|---|
| Aquatic macrophytes of medicinal importance in the studied wetlands | | | | | |
| 1 | *Bacopa monnieri* | Scrophulariaceae | Marginal | throughout India upto 1200 m elevation | pain, epilepsy, amentia, ulcers, acidity etc. |
| 2 | *Ceratophyllum demersum* | Ceratophyllaceae | submerged | Throughout India including Andaman Islands and stagnant waters, Assam, west Bengal. | diarrhea, dysentery, burning sensation, etc. |
| 3 | *Colocasia esculanta* | Areceae | Marginal | Common aggressive weed of humid areas. | hemorrhages, otalgis, adenitis etc |
| 4 | *Chara* spp | Characeae | submerged | Throughout India both in soft and hard water | insecticidal properties. |
| 5 | *Ipomea aquatica* | Convulvulaceae | Marginal | Throughout India and South Andaman | purify blood, pickle preparation |
| 6 | *Jussiaea repens* | Onagraceae | Marginal | Throughout India in freshwater tanks. | as paste for ulcers and skin complaints |
| 7 | *Limnophyla indica* | Scrophulariaceae | Marginal | widely distributed species in India and South Andaman | elephantiasis, pestilent fever, dysentery etc |
| 8 | *Lemna minor* | Lemnaceae | Free floating | Cosmopolitan floating in still water upto a height of 3000 m. | possess cooling, astringent, antiscorbutic, diuretic properties. |
| 9 | *Nymphaea nouchali* | Nymphaceae | Rooted floating | Warmer parts of India in shallow tanks ponds and ditches. | The rhizome in diarrhea, dysentery, dipsia and flowers are astringent and cardio-tonic,seeds are useful in vitiated condition of liver, dipsia, diarrhea and dermatopathy. |
| 10 | *Nymphaea stella* | Nymphaceae | Rooted floating | warmer parts of India and South Andaman | cardio-tonic |
| 11 | *Nymphoides indicum* | Gentianaceae | Free floating | India and South Andaman. | Liver disease and jaundice. |
| 12 | *Pistia stratiotes* | Areceae | Free floating | throughout India upto a height of 1000 m | cough and asthma, ring worms |
| 13 | *Polygonum glabrum* | Polygonaceae | Marginal | Hotter parts of India from Assam to Indus, South India, Laccadives and North and South Andamns. | used as febrifige and the infusion of leaves in colic pain. |
| 14 | *Trapa natans var. bispinosa* | Trapaceae | Floating | India in ponds, lakes, tanks and also cultivated | vitiated condition of liver, burning sensation, dyspepsia, epitaxis, haemoptysis, heamorrhages and diarhoea etc. |
| 15 | *Vallisneria spiralis* | Hydrocharitaceae | submerged | Common throughout India including middle Andaman. | Used as stomachic and leucorrhea (female ailment). |
| Non medicinal aquatic macrophytes | | | | | |
| 16 | *Eichhornia crassipes* | | floating | abundantly growing water weeds in the tropical and sub-tropical countries of the world | A good source of animal feed, organic fertilizer, bio-gas and fibre. Eichhornia is hazardous to fish |
| 17 | *Azolla pinnata* | | floating | free-floating aquatic plants, growing abundantly all over the world | Useful for controlling mosquitoes and other weeds, and also for feeding poultry, pigs and ducks. greatest economic value of Azolla lies in its nitrogen fixation capacity whereby the plant is capable of reducing the nitrogen demand in rice fields |

**Macrophyte Conservation:** Several environmental characteristics were determinant for the macrophyte richness and composition, such as, size, habitat diversity, altitude, hydro period, and flood maintenance (Rolon et. al. 2010). With regard to the conservation, the area may be an important criterion to be considered when choosing the priority areas for conservation. However, the influence of the

habitat diversity must be considered, since several small wetlands have presented high habitat diversity and as consequence high macrophyte diversity. Although the richness is an important attribute for conservation, the difference in the composition of the species between the wetlands gives us better information concerning the conservation of the regional diversity of the species. Hence, the gradients - size, altitude and hydro period - that were determinant for the composition of the species should be preserved. Furthermore, the flood events, long or short-term ones, are strongly associated to the structure of the aquatic macrophyte community in several wetland types (Rolon et. al. 2010).

**Conclusion:** Wetland macrophytes comprise taxonomically highly diverse group of plants. Their functions in wetland eco-systems impact many processes such as nutrient cycling and food web dynamics. Changes in nutrient availabil-ity often result in replacement of low productivity – high species diversity systems with highly productive species monocultures. Quantity and quality of litter and root car-bon exudates impact sediment heterotrophic microbial processes. Changes in nutrient availability also result in changes in nutrient stoichiometry of plant tissues and nutrient resorption. The roles of macrophytes and sedi-ment microorganisms in wetland ecosystems are closely connected and should be studied simultaneously rather than in isolation. ❑

***Reference:***

- **Bardach, J.E., (1968).** Fish Culture, Part III, **p. 1–225.** In The status and potential of aquaculture, particularly fish culture, Vol. 2, Parts I & III. Springfield, Va., Clearinghouse for Federal Scientific & Technical Information
- **Bornette G, Puijalon S. (2011).** Response of aquatic plants to abiotic factors: a review. Aquat Sci **73: 1-14.**
- **Costanza R, d'Arge R, de Groot R, Farber S, Grasso M, Han-non B, Limburg K, Naeem S, O'Neill RV, Paruelo J, Raskin RG, Sutton P, van den Belt M. (1997).** The value of the world's ecosystem
- **Dvorák J. (1996).** An example of relationships between macro-phytes, macroinvertebrates and their food resources in a shallow eutrophic lake. Hydrobiologia **339: 27-36.**
- **Egertson CJ, Kopaska JA, Downing JA. (2004).** A century of change in macrophyte abundance and composition in response to agricultural eutrophication. Hydrobiologia **524: 145-156.**
- **Engelhardt KAM, Ritchie ME. 2001.** Effects of macrophyte species richness on wetland ecosystem functioning and services. Nature **411: 687-689.**
- **Michael, R.G. (1973).** A guide to the study of freshwater organisms. Madurai Univ. J. Suppl. (Ed.) 1: 186 pp.
- **Needham, J.G. and Needham, P.R. (1938).** A guide to the study of freshwater biology IV, Springerfield (Edn.).
- **Ward, H.B. and Whipple, G.C. (1959).** Freshwater biology (2nd Edn.). In: John Willy & Sons, New York.
- **Yadava, Y.S. (1987)** Studies on the limnology and productivity of an ox bow lake in Dhubri District of Assam (India) Ph.D. Thesis Gauhati University (Assam) 320pp.

Associate Professor, Dept. of Zoology, DHSK College, Dibrugarh
*E-mail:* sultana_h@rediffmail.com



# INSIGHT OF MANAS NATIONAL PARK

**Titus Bhengra**

**Introduction :** The diverse accommodation of tree land eco system, grassland eco systems forms the great mosaics of habitat giving rise to faunal diversity in Manas. The whole forest landscape along the Indo-Bhutan boundary is contiguous and its biogeography has Indo-Gangetic influences. (As published by BTC forest dept on Profile of forest and Wild life.

As an Anthropogenic changes in land use and land cover are being increasingly recognised as critical factors influenceing global change. Remote Sensing (RS), integrated with Geographic Information System (GIS), provided an effective tool for analysis of land use and land cover change at a regional level. Although a few perceptible and obvious changes such as the extinction of some local faunal species, including the great Indian one Horned rhinoceros and swamp deer are noticeable the extent of loss of habitat and other threats are few of the problems that have been attempted here to find a sort of solution by analytical investigation on the landscape.

**Location of the Study Area :** The Manas National Park is located at the foothills of the Bhutan Himalayas in the Baksa district as well as Chirang district of the Bodo territorieal areas district (BTAD), Assam, it lies between the geographical limits of 260–35 to 260–15 E longitudes with an area of 519 sq. K.M. The river Dang–Me–Chu becomes the picturesque Manas river before entering the Indian side of Manas National Park and drains into the Brahmaputra after giving rise to Beki river and rejoins with it. It was declared as National Park (NP) in 1990. The park also forms the core area of Manas Tiger Reserve, Which has an area of 2837 Kms. The tiger project area is also a Biosphere Reserve by the same name, Ripu-Chirang Elephant Reserve and a (Mike) Monitoring Illegal Killed Elephant) site. In the Northern side, the Royal Manas and the black Mountain National Park in Bhutan, thus forming a large area of undisturbed landscape under North East Brahmaputra Valley biogeographic zone. It also enjoys a tropical climate with rainfall between 3000 and 4000 mm anually. Manas National Park is known for its spectacular sceneray and variety of habitat type that support a wide variety of flora and fauna. At the

time of its declaration as National Park and later a World Heritage site (Now World Heritage Site in Danger) in 1985, it was perhaps one of the few protected areas to harbour as many as 21 faunal species of schedule 1 of the Wild Life (Protection) Act, 1972.

**Objectives :** The study was carried keeping in mind the following major objectives:

1. To indentify the habitat pattern in the Manas National Park.
2. To study the areas coverage of individual habitat and concerned species in Manas National Park.
3. To find appropriate policy to the management of the Manas National Park.

**Date Set used :** The primary data used were IRSP 6 LISS III Satellite imagery of Nov, 2006, Survey of India (SOI) topography maps, ground control points (GCPs) and maps available with forest department were consulted and studied and taken into an account.

**Methodology :** IRSP 6 LISS III Satellire imagery of Nov, 2006 was used to assess the areal coverage of individual habitat of the Manas National Park.

